# ইন্টাৰনেটৰ তিতা – মিঠা

– ড° প্ৰণয়ী দত্ত

**ভাব বিষয়ক :**

**১। চমুকৈ উত্তৰ লিখা :**

**( ক ) কুঁৱলীক দেউতাকে কিয় কম্পিউটাৰটো উপহাৰস্বৰূপে দিছিল ?**
**উত্তৰ:** কুঁৱলীয়ে নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ প্ৰথম হৈ উত্তীৰ্ণ হোৱা বাবে দেউতাকে কুঁৱলীক কম্পিউটাৰটো উপহাৰস্বৰূপে দিছিল ।

**( খ ) ইণ্টাৰনেট কি ?**
**উত্তৰঃ** ইণ্টাৰনেট কোনো যন্ত্ৰ নহয় , কম্পিউটাৰো নহয় , কম্পিউটাৰ প্ৰগ্ৰেম বা হাৰ্ডৱেৰ , ছফটৱেৰ নহয় । অথচ এই সকলো মিলি তৈয়াৰ হোৱা তথ্য আদান প্ৰদানৰ এক শক্তিশালীব্যৱস্থা । ইণ্টাৰনেট ( Internet ) অৰ্থাৎ Interconnection of Networks . ই হৈছে কম্পিউটাৰ নেটৱৰ্কৰ বিশ্বব্যাপি এক ব্যৱস্থা ।

**( গ ) কুঁৱলীয়ে প্ৰথমে কালৈ ই-মেইল কৰিছিল ?**
**উত্তৰ:** কুঁৱলীয়ে প্ৰথমে তাইৰ অন্তৰংগ বান্ধৱী শ্বেৰণলৈ ই – মেইল কৰিছিল ।

**( ঘ ) পূজাৰ বন্ধত কুঁৱলীহঁত ক'লৈ যোৱাৰ সিদ্ধান্ত লৈছিল ?**
**উত্তৰ :** পূজাৰ বন্ধত কুঁৱলীহঁতে দক্ষিণ ভাৰতৰ পিনে ফুৰিবলৈ যোৱাৰ সিদ্ধান্ত লৈছিল ।

**( ঙ ) ভাইৰাচ কি?**
**উত্তৰঃ** ভাইৰাচৰ সম্পূৰ্ণৰূপ হৈছে Vital information resources undu seize . ই হৈছে ধ্বংসাত্মক অভিপ্ৰায়েৰে প্ৰস্তুত কৰা এক কম্পিউটাৰ প্ৰগেম । মূল ব্যৱহাৰকাৰীজনৰ অজ্ঞাতে ই নিজকে কম্পিউটাৰত থকা সুস্থ প্ৰগেম বা ফাইলৰ লগত সংযুক্ত কৰি সেইবোৰত বিজুতি ঘটাব পাৰে ।

**২। WWW বা ৱেব কি?**

**উত্তৰঃ** ডব্লিউ ডব্লিউ ডব্লিউ আখৰকেইটা সম্পূৰ্ণকৈ লিখিলে হয় ৱৰ্ল্ড ৱাইড ৱেব ( World Wide Web ) । www বা ৱেব হৈছে পৃথিৱীজুৰি সিঁচৰতি হৈ থকা লাখ লাখ কম্পিউটাৰত মজুত থকা পৰস্পৰ সংলগ্ন বিভিন্ন তথ্য – পাতিৰ সামূহিক ভাণ্ডাৰ ।

১৯৮৯ চনত ছুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত পদাৰ্থ কণিকাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক গৱেষণাৰ আন্তঃৰাষ্ট্ৰীয় আৰু অতি উচ্চমানৰ পৃথিৱী বিখ্যাত গৱেষণা কেন্দ্ৰ চাৰ্ণ ( European Organisation of Nuclear Research ) চমুকৈ ( CERN ) – ত ' ৱ ৱাইড ৱেব ' ( www ) ধাৰণাৰ অংকুৰিত হৈছিল । বিজ্ঞানীসকলে তেওঁলাোকৰ দ্বাৰা সংগৃহীত তথ্যসমূহ পৰস্পৰে পৰস্পৰক জনাোৱাৰ পৰিবেশক এই শব্দটোৰে বুজোৱা হৈছিল ।

এতিয়া এই শব্দ সমষ্টি ইণ্টাৰনেটৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহৃত হয় । ইণ্টাৰনেটত যিকোনাো ' ঠিকনা ' বুজাবৰ বাবে প্ৰথমে এই তিনিটা বৰ্ণ ব্যৱহাৰ হয় । দৰচলতে ' ডব্লিউ ডব্লিউ ডব্লিউয়ে সমগ্ৰ বিশ্বৰ নিৰ্দিষ্ট কম্পিউটাৰ আৰু কম্পিউটাৰ ব্যৱহাৰকাৰীক সামৰি এক অদৃশ্য জালিকাৰ সৃষ্টি কৰিছে ।

**৩। কুঁৱলীয়ে ইমেইলৰ জৰিয়ত বান্ধৱীসকলৰ পৰা কি কি কথা জানিব পাৰিলে ?**

**উত্তৰ :** কুঁৱলীয়ে ই – মেইলৰ জৰিয়তে বান্ধৱীসকলৰ পৰা তেওঁলাোকৰ দেশ ভ্ৰমণৰ চাক্ষুস অভিজ্ঞতা তথা নিজস্ব দৃষ্টিভংগীৰে ৰাোমাঞ্চকৰ বৰ্ণনা পালে ।

**৪। ইণ্টাৰনেটৰ সহায়ত কুঁৱলীয়ে কি কি নতুন অভিজ্ঞতা আহৰণ কৰিলে ?**

উত্তৰ : ইণ্টাৰনেটৰ সহায়ত কুঁৱলীয়ে WWW ৰ বিষয়ে জানিব পাৰিলে । ইণ্টাৰনেটত সঘনাই ব্যৱহৃত হৈ থকা কিছুমান শব্দ যেনে— ৱেব পেজ ( Web pege ) , ৱেবচাইট ( Website ) , হাোমপেজ ( Home page ) , ব্ৰাউজাৰ ( Browser ) আদিৰ বিষয়েও তাইপলকতে ইণ্টাৰনেটৰপৰা আয়ত্ত কৰিলে।

তাই অনুভৱ কৰিলে যে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডখনেই যেন ইণ্টাৰনেটত পুঞ্জীভূত হৈ আছে । কিয়নাো তাই যিটোৰ বিষয়ে জানিব বিচাৰে সেইটো কম্পিউটাৰত টাইপ কৰিলেই নিমিষতে পৃষ্ঠাজুৰি সেইবিষয়টোৰ বিৱৰণ চকুৰ আগত আহি পৰে ।

ইয়াৰাোপৰি ই – মেইল যাোগে দেশ – বিদেশৰ বন্ধু – বান্ধৱীৰ লগত কথা পাতিব পৰা হ'ল । বন্ধু – বান্ধৱীসকলৰপৰা তেওঁলাোকৰ দেশ – ভ্ৰমণৰ চাক্ষুস অভিজ্ঞতা তথা নিজস্ব দৃষ্টিভংগীৰে এক ৰাোমাঞ্চকৰ সাোৱাদলাভ কৰিলে । এইবাোৰৰ উপৰি ভিডিঅ' কলিংৰ অভিজ্ঞতাও তাই লাভ কৰিলে ।

দেশ – বিদেশৰ বন্ধু – বান্ধৱীৰ লগত ভিডিঅ' কলিং উপভাোগ কৰি তাইৰ এনে অনুভৱ হ'ল যেন মুখামুখিকৈ বহিহে কাৰাোবাৰ লগত কথা পাতি আছে।ইন্টাৰনেটৰ বিভিন্ন ৱেবচাইটসমূহৰপৰা তাই বিজ্ঞানৰ বিভিন্ন পৰীক্ষা নিৰীক্ষাৰ বিষয়েও শিকিল'লেইণ্টাৰনেটত চিনেমা , গীত , খেলা – ধূলা আদিৰ জৰিয়তে মনাোৰঞ্জনৰ আমেজ ল'লে ।

পূজাৰ বন্ধত দক্ষিণ ভাৰতলৈ ফুৰিবলৈ যাবৰ বাবে ইণ্টাৰনেটৰ জৰিয়তে ঘৰৰপৰাই টিকট কৰাৰ উপৰি দক্ষিণ ভাৰতত থাকিবৰ বাবে হাোটেলাো বুক কৰিলে ই-বেংকিঙৰ জৰিয়তে হাোটেলৰ কোঠাৰ ভাড়াৰ বাবে অগ্ৰিম ধন দিয়াৰ উপৰি ভ্ৰমণৰ বাবে প্ৰয়াোজনীয় সাজ – পাৰ আৰু অন্যান্য সামগ্ৰী নেটৰ জৰিয়তে ক্ৰয় কৰিলে । লগে লগে সময় আৰু কষ্ট লাঘৱ হল ।
এনেদৰে কুৰলীয়ে ইণ্টাৰনেটৰ সহায়ত বহুত নতুন অভিজ্ঞতা লাভ কৰিলে ।

**৫।ভাইৰাচে কম্পিউটাৰ এটাৰ কেনেদৰে বিজুতি ঘটাব পাৰে ?**

উত্তৰঃ Virus ৰ সম্পূৰ্ণৰূপ হৈছে Vital information resources under seize . ই হৈছে ধ্বংসাত্মক অভিপ্ৰায়েৰে প্ৰস্তুত কৰা এক কম্পিউটাৰ প্ৰগেম । ই নিজকে কম্পিউটাৰত থকা সুস্থ প্ৰগেম বা ফাইলৰ লগত সংযুক্ত কৰি সেইবাোৰত বিজুতি ঘটাব পাৰে , তাকো আকৌ মূল ব্যৱহাৰকাৰীজনৰ অজ্ঞাতে বা অনুমতি নাোলাোৱাকৈ ।

**৬। ইন্টাৰনেটৰৰ মিঠা সুবিধাৰ লগতে তিতা অসুবিধাও আছে ।**

" কথাষাৰৰ বক্তা কোন ? ইন্টাৰনেটৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে পাঠটোৰ আধাৰত বুজাই লিখা ।

উত্তৰ : ইণ্টাৰনেটৰো মিঠা সুবিধাৰ লগতে তিতা অসুবিধা আছে ।'— কথাষাৰৰ বক্তা শ্বাৱানা বাইদেউ । ইণ্টাৰনেটৰপৰা পাোৱা সুবিধা বহুত । আমি যিকোনাো এটা বিষয়ৰ ওপৰত জানিবলৈ হ'লে ইণ্টাৰনেটৰ সহায় ল'ব পাৰাো।কম্পিউটাৰত জানিব বিচৰা বিষয়টোৰ নাম টাইপ কৰাৰ লগে লগে নিমিষতে কম্পিউটাৰ স্ক্ৰীনত সেই বিষয়টোৰ বিৱৰণ ওলাই আহিব ।

এনেদৰে ঘৰতে বহি দেশ – বিদেশৰ বিভিন্ন বা বাতৰি পাোৱাৰ লগতে কম্পিউটাৰ স্ক্ৰীনতে দেশ – বিদেশৰ বিভিন্ন ঠাই দৰ্শন কৰিব পাৰোঁ ।

ইয়াৰ উপৰিও ই – মেইলৰ জৰিয়তে দেশ – বিদেশৰ বন্ধু বান্ধৱীৰ লগত কথা পাতিব পাৰোঁ । ভিডিঅ ' কলিঙৰ জৰিয়তে দূৰ – দূৰণিৰ বন্ধু – বান্ধৱীৰ লগত ইজনে সিজনক চাই কথা পাতিব পাৰোঁ। বিজ্ঞানৰ বিভিন্ন পৰীক্ষা – নিৰীক্ষাৰ বিষয়ে শিকিল'ব পাৰোঁ ।

কোনাো ঠাইলৈ যাবৰ বাবে ঘৰত বহিয়েই আকাশীযান ৰে'ল বা বাছৰ চিকট কৰিব পাৰো আনকি আন ঠাইত থকা – খাোৱা সুবিধাৰ বাবে ঘৰত বহিয়েই হাোটেল ঠিক কৰিব পাৰে।ই-বেংকিঙৰ সহায়ত আন ঠাইলৈ মুহূৰ্তৰ ভিতৰতে টকা পঠাব পাৰে । আমি বজাৰলৈ নাোযাোৱাকৈ ঘৰত বহিয়েই প্ৰয়াোজনীয় সামগ্ৰীবাোৰ ক্ৰয় কৰিব পাৰোঁ । গতিকে আমাৰ কষ্ট আৰু সময় লাঘৱ হয় ।

ইমানবােৰ সুবিধা থকাৰ পিচতো কিন্তু ইণ্টাৰনেটৰ অসুবিধা নথকা নহয় । বহুতাে ল’ৰা – ছাােৰালীয়ে ইণ্টাৰনেটৰ গেমৰ প্ৰতি এনেদৰে আকৰ্ষিত হৈ পৰিছে যে পঢ়া শুনাৰ প্ৰতি মনোযাােগ অতি কমি আহিছে । ইণ্টাৰনেটে মানুহক ওচৰ – চুবুৰীয়া , আপাােনজনৰপৰা আঁতৰাই আনিছে । ইণ্টাৰনেটত অনবৰতে ব্যস্ত থকা ল’ৰা – ছাােৰালীৰ কৰ্মোদ্যম কমি অহাৰ লগতে এলাহ বৃদ্ধিপায় ।

এইবাােৰৰ উপৰি ফেচবুক , ৱাটছএপ আদি ছচিয়েল মিডিয়াৰ জগতখনত নতুন প্ৰজন্ম সাােমাই পৰিছে । ফলত তেওঁলাােকে কিতাপৰ জগতখনৰপৰা আঁতৰি অহাই নহয় , খেলা – ধুলাৰ ফালেও সম্পূৰ্ণ পিঠি দিছে । মাােবাইলত থকা ৱাটছএপ , টুইটাৰ , ইউটিউব , ফেচবুক আদিৰ দ্বাৰা বহুততা মিছা বাতৰিও প্ৰচাৰ হয় । এজনে আনজনলৈ প্ৰেৰণ কৰা কিছুমান ভুৱা বাতৰিয়ে সমাজত ভয়ানক সমস্যাৰ সৃষ্টি কৰে । গতিকে দেখা যায় ইণ্টাৰনেটৰ মিঠা সুবিধাৰ লগতে তিতা অসুবিধাও আছে ।

**৭। ইণ্টাৰনেটৰ তিতা মিঠা’ গল্পটোৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।**

উত্তৰ : ইণ্টাৰনেটৰ তিতা – মিঠা ’ — গল্পটোৰ লেখক ড ° প্ৰণয়ী দত্ত । ড ° দত্তই গল্পটোৰ মাজেৰে ইণ্টাৰনেটৰপৰা পাােৱা সুবিধা – অসুবিধাবাােৰ বৰ সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে । বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো ভৌতিক বস্তুৰে ভাল আৰু বেয়া দিশ আছে । একেদৰে ইণ্টাৰনেটৰো মিঠা সুবিধাৰ লগতে তিতা অসুবিধাও আছে । ইন্টাৰনেটৰপৰা পাােৱা সুবিধা বহুত।ইণ্টাৰনেটৰ জৰিয়তে আমি যিকোনাে বিষয় এটাৰ বিস্তৃত বিৱৰণ ।

ঘৰতে বহি কম্পিউটাৰত চাব পাৰাে । ই-মেইলৰ জৰিয়তে দূৰ – দূৰণিৰ ঠাইলৈ নিমিষতে প্ৰয়াােজনীয় বা – বাতৰি পঠিয়াব পাৰোঁ । আপাােনজনৰ লগত মুখামুখিকৈ বহিকথা পতাৰ দৰে পাতিব পাৰোঁ । কোনাে ঠাইলৈ যাবৰ বাবে ঘৰতে বহিবাছ , ৰে’ল বা আকাশীযানৰ টিকেট কৰিব পাৰোঁ । প্ৰয়াােজনীয় বস্তুবাােৰ বজাৰলৈ নাােযাােৱাকৈয়ে ক্ৰয় কৰিব পাৰোঁ ।

গল্পটোৰ মাজেৰে গল্পকাৰে গল্পটোৰ মূল চৰিত্ৰ কুঁৱলীয়ে ইণ্টাৰনেটৰ জৰিয়তে লাভ কৰা এই সুবিধাবাােৰৰ কথা সুন্দৰকৈ প্ৰকাশ কৰিছে । কিন্তু তাৰ মাজতে ইণ্টাৰনেট বেছিকৈ ব্যৱহাৰ কৰিবলৈ লাােৱাৰ লগে লগে কুঁৱলীৰ মাজত হাােৱা পৰিৱৰ্তনবাােৰ আৰু কুঁৱলীৰ আত্মাােপলব্ধি , শ্বাৱনা বাইদেউৰ বিশ্লেষণ আদিৰ মাজেৰে ইণ্টাৰনেটৰপৰা পাােৱা তিতা অসুবিধাবোৰাে প্ৰকাশ কৰিছে ।

শ্বৰনা বাইদেৱে কুঁৱলীক ইণ্টাৰনেটৰ অসুবিধাৰ কথা বুজাই কৈছে যে – ইন্টাৰনেটৰ গেমৰ প্ৰতি অতি বেছি আকৰ্ষিত হৈ কিছুমান ল’ৰা – ছাােৱালীয়ে পঢ়া – শুনাৰ প্ৰতি মনাােযাােগ কমাই দিছে । ওচৰ – চুবুৰীয়া আৰু আপাােনজনৰ লগত হাঁহি-মাতি কথা এষাৰ পাতিবলৈ মানুহ সময় নাােহাােৱা হৈছে ।

ফেচবুক , ওৱাটএপ আদি চচিয়েল মিডিয়াৰ জগতখনত ল'ৰা – ছাােৱালী এনেদৰে সাােমাই পৰিছে যে তেওঁলাােকে গ্ৰন্থ । অধ্যয়ন , খেলা – ধূলা আদিৰ পৰা প্ৰায় আঁতৰি অহাৰ দৰে হৈছে । তদুপৰি ছচিয়েল মিডিয়াৰ জৰিয়তে প্ৰচাৰ কৰা উৰাবাতৰিয়ে ভয়ানক সমস্যাৰ সৃষ্টি কৰিছে ।

শ্বৰনা বাইদেউৰ এইখিনি কথা শুনাৰ পাছত কুঁৱলীয়ে নিজৰ ভুল বুজি পাইছে । এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে ইণ্টাৰনেটৰ তিতা – মিঠা হিচাপে গল্পটোৰ নামকৰণ সাৰ্থক হৈছে ।

**৮। ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ জীৱনত কেনে প্ৰভাৱ পেলাব পাৰে পাঠটোৰ আধাৰত বুজাই লিখা ।**

উত্তৰঃ ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ – ছাত্ৰীৰ শৈক্ষিক , মানসিক , শাৰীৰিক আদি সকলাে দিশতে প্ৰভাৱ পেলাব পাৰে ।

অধিক সময় ইণ্টাৰনেট ব্যৱহাৰৰ ফলত শিক্ষাৰ্থীসকল অধ্যয়নৰ প্ৰতি অমনাােযাােগী হৈ পৰে । অধ্যয়নে জ্ঞান বৃদ্ধি কৰাৰ লগতে কল্পনা শক্তিৰ বিকাশ ঘটায় । ফলত শিক্ষাৰ্থীসকলৰ সৃষ্টিশীলতা বৃদ্ধি পায় । কিন্তু ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰৰ ফলত ছাত্ৰ – ছাত্ৰীসকলে গ্ৰন্থৰ জগতখনৰ লগত নিজৰ সম্বন্ধ বহু পৰিমাণে কমাই আনিছে । ফলত তেওঁলাােকৰ মানসিক তথা শৈক্ষিক বিকাশত বাধা আহি পৰিছে ।

ফেচবুক , ওৱাটএপ আদি ছ'চিয়েল মিডিয়াৰ অত্যধিক ব্যৱহাৰ তথা সেইবাােৰত প্ৰচাৰিত উৰাবাতৰি অন্ধবিশ্বাস আদিয়ে সমাজত বহুতো সমস্যাৰ সৃষ্টি কৰিছে । ছাত্ৰ – ছাত্ৰীসকলৰ ওপৰতো তাৰ প্ৰভাৱ পৰিছে ।

অনবৰতে ইণ্টাৰনেট চাই থাকিলে সিয়ে আমাৰ চকুৰ ওপৰত বেয়া প্ৰভাৱ পেলায় । কম বয়সতে দৃষ্টি শক্তি কমি যাব পাৰে । ইয়াৰ উপৰিও খেলা – ধূলা স্বাস্থ্যৰ বাবে অতি প্ৰয়াােজনীয় । আগতে শিক্ষাৰ্থীসকলে সময় পালেই ফুটবল , বল , ভলিবল , বেডমিন্টন আদি খেলবাােৰ খেলিছিল ।

যাৰদ্বাৰা তেওঁলাােকৰ শাৰীৰিক কচৰৎ হৈছিল । কিন্তু এতিয়া দেখা গৈছে যে শিক্ষাৰ্থীসকলে সময় পালেই নিজৰ মাােবাইল বা কম্পিউটাৰত ব্যস্ত থাকে । ফলত তেওঁলাােকৰ বাহিৰত খেলা – ধূলা নাােহাােৱা হ'ল ।

আকৌ ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ – ছাত্ৰীক আত্মীয় – স্বজন , ওচৰ – চুবুৰীয়া আৰু বন্ধু – বান্ধৱৰপৰাও বহুখিনি আঁতৰাই আনিছে । তেওঁলাােকক আত্মকেন্দ্ৰিক কৰি

তুলিছে। গতিকে দেখা যায় যে ইণ্টাৰনেটৰ অত্যধিক ব্যৱহাৰে ছাত্ৰ – ছাত্ৰীৰ জীৱনত গভীৰভাৱে প্ৰভাৱ পেলায়।

## ভাষা বিষয়ক

**৯। বাক্য ৰচনা কৰা :**
**চিনাকি – অচিনাকি , অলীক – সপােন , নাকে – মুখে , পৰীক্ষা – নিৰীক্ষা ।**

**উত্তৰ:** চিনাকি – অচিনাকি : হাটে-বজাৰে বহুতাে চিনাকি – অচিনাকি মানুহ লগ পাােৱা যায়।

অলীক – সপােন : বাস্তৱতে একো কাম নকৰি কেৱল অলীক সপােন দেখি থাকিলে জীৱনত উন্নতি কেতিয়াও নহয়।

নাকে – মুখে : বৰষুণ অহাৰ আগেয়েই নাকেমুখে কোনাােমতে ভাতকেইটা গুজি মহীধৰ পথাৰলৈ হালবাবলৈ গ’ল।

পৰীক্ষা – নিৰীক্ষা : বিজ্ঞানীসকলে বহুত পৰীক্ষা – নিৰীক্ষাৰ অন্ততহে বস্তু এটা উদ্ভাৱন কৰিবলৈ সক্ষম হয়।

**১০। অৰ্থ লিখা**

**( অভিধান চাই ) :**

**ক্ষতি , বিজুতি , গুণা-গথা , উদাস , পুঞ্জীভূত**

**উত্তৰঃ** ক্ষতি – লাােকচান

বিজুতি – বিপদ

গুণা-গথা – চিন্তা – চৰ্চা

উদাস – অনীহা

পুঞ্জীভূত – থুপ খাই থকা